بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ কবুলিয়তে দোৱা আৰু চাহাবা,চাহাবিয়াত সকলৰ কোৰবাণী আৰু ৰছুল প্ৰেমৰ ঈমান উদ্দীপক বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৮ মাৰ্চ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ৰ দোৱা কবুল হ'বলৈ যি দোৱা কৰিছিল, সেই সম্পৰ্কে ঘটনাৰ বিৱৰণী এনেদৰে উল্লেখ আছে। আয়শা বিনতে ছাআদ (ৰাঃ) নিজৰ দেউতা হজৰত ছাআদ (ৰাঃ)ৰ পৰা ৰিৱায়ত কৰিছে যে তেখেতে কৈছে যেতিয়া কাফিৰ সকলে ঘূৰি আহি আকৌ আক্ৰমণ কৰে তেতিয়া মই কৈছিলো যে সিহঁতক হয় মোৰ আগৰ পৰা দূৰ কৰিম নহলে নিজেই মুক্তি পাই যাম অৰ্থাৎ শ্বহীদ হৈ যাম। হঠাতে মই এজন ৰঙা চেহেৰাৰ লোক দেখিবলৈ পাওঁ আৰু এনেকুৱা লাগিছিল যে মুশৰিক সকলে তাক পৰাজিত কৰি পেলাব, তেতিয়া লোক জনে পাথৰ হাতত লৈ শত্ৰুৰ ফালে মাৰি পঠিয়াবলৈ লৈছিল। তেতিয়া হঠাতে দেখিবলৈ পালো যে হজৰত মিকদাদ (ৰাঃ) মোৰ আৰু সেই লোক জনৰ মাজত আহি যায় আৰু কয় যে এখেত ৰছুলুল্লাহ (ছাঃ) তেখেতে তোমাক মাতি আছিল। মোৰ এনেকুৱা অনুভৱ হৈছিল যে মই যেনিবা একো কষ্টই পোৱা নাই। মই পোনে পোনে থিয় হৈ তেখেত (ছাঃ)ৰ ওচৰলৈ আহিছিলো। তেখেত (ছাঃ)য়ে মোক তেখেতৰ সন্মুখত বহোৱাইছিল। মই তীৰ নিক্ষেপ কৰিবলৈ আৰম্ভ কৰিছিলো আৰু ক'বলৈ লৈছিলো হে আল্লাহ ! এয়া তোমাৰ তীৰ, তুমি ইয়াক তোমাৰ শত্ৰুক মাৰি দিয়া। আনহাতে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হে আল্লাহ ! তুমি ছাআদৰ দোৱা কবুল কৰি লোৱা। হে আল্লাহ ! ছাআদৰ লক্ষ্য নিপুন কৰি দিয়া। হে ছাআদ ! তোমাৰ ওপৰত মোৰ মাক দেউতা উচ্চৰ্গিত হওঁক। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই বিষয়ে লিখিছে যে ছাআদ বিন উকাচ (ৰাঃ)য়ে নিজৰ শেষ বয়সলৈকে এই কথাবিলাক বৰ গৌৰৱেৰে সৈতে বৰ্ণনা কৰিছিল।

আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ মৰ্মে হজৰত উমৰ (ৰাঃ)য়ে কেনেদৰে শত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰিছিল, সেই

বিষয়ে এনেদৰে বৰ্ণনা পোৱা যায় যে যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে চাহাবা সকলৰ জামাতৰ সৈতে পাহাৰৰ টিঙত গৈ অৱস্থান কৰিছিল, হঠাতে খালিদ বিন অলিদৰ নেতৃত্বত কুৰাইছৰ এটা বাহিনী পাহাৰৰ ওপৰ ভাগলৈ উঠি গৈছিল। আঁহজৰত (ছাঃ)য়ে শত্ৰুৰ দলটোক ওপৰত দেখা পাই এই দোৱা কৰিছিল হে আল্লাহ ! সিহঁতৰ বাবে এয়া বৈধ নহয় যে সিহঁতে আমাৰ ওপৰত জয়লাভ কৰে। হে আল্লাহ ! আমাৰ শক্তি সামৰ্থ্য নাই কিন্তু কেৱল তুমিহে উপায়। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে মুহাজেৰিণ সকলৰ এটা জামাতৰ সৈতে কুৰাইছ বাহিনীৰ মোকাবিলা কৰে আৰু সিহঁতক পিছুৱাই পাহাৰৰ তললৈ যাবলৈ বাধ্য কৰে। এই ঘটনা সংক্ৰান্তে আল্লাহ তা'লাৰ এই বাণী অৱতীৰ্ণ হয়, **লা তাহিনু ওৱা লা তাহজানু ওৱা আনতুমুল আলাওনা ইন কুনতুম মুমিনিন** আৰু দুৰ্বলতা প্ৰদৰ্শন নকৰিবা আৰু চিন্তা নকৰিবা যিহেতু নিশ্চয় তোমালোকেই জয় লাভ কৰোঁতা যদি তোমালোকে মোমিন হোৱা।

আঁহজৰত (ছাঃ)য়ে নিজে আহত হোৱা সত্বেও চাহাবা সকলৰ বিষয়ে চিন্তা কৰা সম্পৰ্কে হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে উহুদৰ দিনটোৰ বিষয়ে আলোচনা কৰিছিল তেতিয়া এই বুলি কৈছিল সেই দিনটো আছিল তালহা (ৰাঃ)ৰ দিন। আকৌ ইয়াৰ ব্যাখ্যা কৰোঁতে কৈছিল যে মই সেই সকল লোকৰ মাজত আছিলো যিসকলে উহুদৰ ৰণ ক্ষেত্ৰত ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত ওভতি আহিছিল। মই আহি দেখিছিলো ৰছুলুল্লাহ (ছাঃ)ৰ তলৰ পাৰিৰ দুটা দাঁত ভাঙি গৈছে আৰু মুখমণ্ডল জখমি হৈ পৰিছে আৰু তেখেত (ছাঃ)ৰ মূৰত পিন্ধি থকা টুপীৰ গজাল মূৰত বিন্ধি গৈছে। তথাপি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল তোমালোকে সোনকালে গৈ তালহাক সহায় কৰা। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই ঘটনাখিনি আগতেও বৰ্ণনা কৰা হৈছে, কিছুমান বৰ্ণনাত অলপ অচৰণ নতুন কথাও আছে, কিছুমান নতুন বাক্যও সোমাই আছে আৰু কিছুমান আনুমানিক কথাও বৰ্ণনা কৰা আছে। গতিকে আকৌ বৰ্ণনা কৰি দিছো।

মদিনাৰ মহিলা সকলৰ ধৈৰ্য আৰু আত্ম সন্তুষ্টি সম্পৰ্কে কিছুমান দৃষ্টান্ত বিদ্যমান আছে। উহুদৰ যুদ্ধৰ পিছত যেতিয়া আঁহজৰত (ছাঃ)য়ে মদিনালৈ ওভতি আহে তেতিয়া হজৰত মুছাআব বিন উমেৰ (ৰাঃ)ৰ পত্নী হামনা বিনতে হাজাশ (ৰাঃ)ক লোকে তাইক তাইৰ ভাই আৰু মামাৰ শ্বাহাদতৰ খবৰ দিয়ে। তেতিয়া তাই খবৰ শুনি ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন পাঠ কৰে। কিন্তু যেতিয়া তাইক তাইৰ স্বামীৰ শ্বাহাদতৰ খবৰ কোৱা হয় তাই তেতিয়া কান্দিবলৈ আৰম্ভ কৰে আৰু ব্যাকুল হৈ কৈছিল যে হায়ৰে পৰিতাপ ! পিছত আঁহজৰত (ছাঃ)য়ে সুধিছিল যে তুমি এনেকুৱা কথা কিয় কৈছা ? তেতিয়া হামনা (ৰাঃ)য়ে উত্তৰ দিছিল এয়া মই কেৱল মোৰ স্বামীৰ বাবে কৈছো। মোৰ তাৰ সন্তানৰ এতীম অৱস্থাৰ কথা মনত পৰিছিল, যাৰ ফলত মই মানসিক ভাৰসাম্য হেৰুৱাই এনেদৰে কৈছো। এই কথা শুনি ৰছুলুল্লাহ (ছাঃ)য়ে মুছাআব (ৰাঃ)ৰ সন্তানৰ বাবে দোৱা কৰিছিল যে হে আল্লাহ ! সিহঁতৰ আশ্ৰয় দাতা আৰু জিম্মাদাৰ যেন সিহঁতৰ সৈতে দয়া আৰু কোমল আচৰণ কৰে আৰু সিহঁতৰ লগত সদ আচৰণ কৰে।

হজৰত হিন্দা (ৰাঃ)য়ে যেতিয়া খবৰ পায় যে তাইৰ স্বামী ভাই আৰু পুত্ৰ তিনিও যুদ্ধত শ্বহীদ গৈ গৈছে। তেতিয়া তাই এই তিনিজনৰ লাচ উটনীৰ পিঠিত বোজাই দি মদিনালৈ লৈ গৈ আছিল। কিন্তু যেতিয়াই উটনী জনীক মদিনাৰ ফালে মুখ কৰি দেখিবলৈ লোৱা হৈছিল তাই বহি পৰিছিল আৰু যেতিয়া উহুদৰ ফালে খেদিবলৈ লোৱা হৈছিল খৰখেদাকৈ খোজ দিছিল। এই অৱস্থা দেখি হজৰত হিন্দা (ৰাঃ)ৰ ৰছুলে কৰিম (ছাঃ)ৰ ওচৰলৈ আহে আৰু এই বিষয়ে বিৱৰি কয়। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে এই উটনীজনীক মামুৰ কৰা হৈছে অৰ্থাৎ তাইক আল্লাহ তা'লাৰ ফালৰ পৰা আদেশ দিয়া হৈছে যে তাই যেন মদিনাৰ ফালে নাযায় বৰং উহুদৰ ফালে যায়। ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে হিন্দাক সুধিছিল যে তোমাৰ স্বামীয়ে যুদ্ধলৈ যোৱাৰ আগতে কিবা কৈছিল নেকি ? হজৰত হিন্দা (ৰাঃ)য়ে জনাইছিল যেতিয়া তেওঁ উহুদৰ ফালে যাত্ৰা কৰিছিল তেতিয়া তেওঁ

কিবলাৰ ফালে মুখ কৰি কৈছিল যে হে আল্লাহ ! মোক মোৰ পৰিয়াল বৰ্গৰ আগত অপমানিত হিচাপে ওভতাই নানিবা আৰু মোক শ্বহীদৰ সৌভাগ্য দান কৰিবা। এই বিৱৰি শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল এই কাৰণেই উটনীয়ে মদিনাৰ ফালে খোজ লোৱা নাই। কৈছিল যে হে আনছাৰৰ দল ! তোমালোকৰ মাজত কিছুমান এনেকুৱা সজ লোক আছে যে যদি তেওঁলোকে খোদাৰ শপত লৈ কোনো কথা কয় তেন্তে খোদা তা'লাই সেই কথা নিশ্চয় পূৰ্ণ কৰে আৰু উমৰ বিন জমুহ (ৰাঃ) সিহঁতৰেই এজন আছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মানিৰ এজনী বয়সস্থ মহিলাৰ পুতেকে যুদ্ধত মৃত্যু বৰণ কৰিছিল। পুতেকৰ মৃত্যুৰ খবৰ শুনি মহিলাজনীয়ে হাঁহি নিজৰ ধৈৰ্যৰ পৰিচয় দিছিল। তাৰ পিছতেই খবৰত প্ৰকাশ পাইছিল যে বৃদ্ধ মহিলা জনীয়ে কেনেকুৱা ধৈৰ্য প্ৰদৰ্শন কৰিব পাৰিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে মহিলাজনীৰ হাঁহিৰ মাজত এক বেদনা লুকাই থকা বুলি পোৱা যায় অৰ্থাৎ তাইৰ হৃদয় কান্দোনত ভাঙি পৰিছিল। কিন্তু ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবীয়া সকলৰ কথা অন্যতম আছিল। তেওঁলোকে মুখত হাঁহি ৰিঙিয়াই অন্তৰত কন্দা নাছিল বৰং তেওঁলোকৰ মনত এটা আনন্দ বিৰাজ কৰিছিল যে ৰছুলুল্লাহ (ছাঃ) জীৱিত আছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে মই যেতিয়া সেই মহিলা (হিন্দা ৰাঃ) জনীৰ ঘটনা পঢ়ো তেতিয়া মোৰ হৃদয়ত তাইৰ প্ৰতি আদব সন্মান উপচি পৰে আৰু মোৰ মনত এনকুৱা ভাৱ হয় যে মই যদি সেই পৱিত্ৰ নাৰী গৰাকীৰ আঁচল ছুই চাব পাৰিলোহেঁতেন আৰু হাত দুখন নি নিজৰ চকুযুৰিত লগাব পাৰিলোহেঁতেন কাৰণ তাই মোৰ প্ৰিয় নবীৰ বাবে নিজৰ প্ৰেমৰ এটা দৃষ্টান্ত বিহীন নিদৰ্শন এৰি থৈ গৈছে। এখেত (ৰাঃ)য়ে কৈছে যে এই নবী প্ৰেম দৰাচলতে খোদা তা'লাই তেওঁলোকৰ হৃদয়ত উপজাই দিছিল। তেওঁলোকে খোদা তা'লাৰ মোকাবিলাত মাক দেউতা ভাই ভনী,স্বামী, পত্নীলৈ কোনো ভ্ৰূক্ষেপ কৰা নাছিল। তেওঁলোকৰ আগত এটাই বস্তু আছিল আৰু সেয়া হ'ল তেওঁলোকৰ খোদা যেন তেওঁলোকৰ ওপৰত সন্তুষ্ট থাকে। এই কাৰণেই আল্লাহ তা'লা তেওঁলোকৰ নিমিত্তে ৰাজি আল্লাহু আনহু বুলি উল্লেখ কৰিছে।

এজন জীৱনী লেখকে লিখিছে যে মদিনাৰ ওপৰত অহা বিপদ বৰ ভয়ানক আৰু মৰ্মান্তিক আৰু হৃদয় বিদাৰক আছিল। কিন্তু মক্কা আৰু মদিনাৰ মাজত দূৰত্ব বহুত থকা কাৰণে মুশৰিক সকলে মুছলমান সকলৰ বিপদ দৃষ্টিত বাধা প্ৰাপ্ত হৈছিল। মক্কাৰ মুশৰিক সকলে বদৰৰ যুদ্ধত বেয়াকৈ পৰাজিত হ'বলগা হৈছিল আৰু ভয়তে পলাই মক্কাৰ বাট ধৰিছিল। কিন্তু মদিনাবাসীয়ে উহুদৰ যুদ্ধত যদিও বিপদৰ সন্মুখীন হৈছিল তথাপি দৃষ্টান্ত বিহীন ধৈৰ্য আৰু ঈমান আৰু বীৰত্বৰ পৰিচয় দিছিল আৰু ৰণ ভূমি এৰি পলাই অহা নাছিল। উহুদৰ যুদ্ধত মুছলমান সকলৰ ভীষণ ক্ষতি সাধন হৈছিল যদিও এওঁলোকে ধৈৰ্য সহকাৰে নিজৰ ঈমান প্ৰতিষ্ঠিত ৰাখি বীৰদৰ্পে যুঁজ দি গৈছিল। মদিনাৰ বাহিনীয়ে উহুদৰ দিনা যিমানেই ক্ষতিগ্ৰস্ত হৈছিল তালৈ মদিনাৰ লোকে কোনো ধৰণৰ দুৰ্বলতা, ভয়, অনুশোচনা আদি একোৰে প্ৰকাশ কৰা নাছিল। বৰ্ণনাৰ বাকী অংশ ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

পেলেষ্টাইনৰ বাসিন্দা সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা তেওঁলোকৰ বাবে যুদ্ধ সুস্থ পৰিৱেশৰ জন্ম দিয়ে। শত্ৰু পক্ষই সকলো ধৰণৰ কু-অভিসন্ধি আৰু ষড়যন্ত্ৰৰ জৰিয়তে এওঁলোকক ধ্বংস কৰিব বিচাৰিছে। বিশ্বৰ ডাঙৰ ডাঙৰ শক্তিবিলাকে যুদ্ধ বন্দ কৰাৰ সলনি সিহঁতক উদ্গনি দি আছে।গতিকে একমাত্ৰ আল্লাহ তা'লাই হে তেওঁলোকৰ হাতক প্ৰতিৰোধ কৰিব পাৰে। সেয়ে বেছি বেছি দোৱা কৰিব লাগিব।

লগতে যি চেৰেটি সংগঠনৰ জৰিয়তে সিহঁতক খাদ্য,ঔষধ আদি যোগান ধৰিব পৰা যায়, সেয়া আহমদী সকলে যোগান ধৰিব লাগিব। নিজৰ অঞ্চলত সিহঁতক সপক্ষে যুলুম অত্যাচাৰ অন্ত পেলোৱাৰ চেষ্টা কৰিব লাগিব। সেই ঠাইৰ ৰাজনীতিবিদ সকললৈ পত্ৰ লিখি জনোৱা উচিত যে যিবোৰ কাৰ্য তেওঁলোকে কৰি আছে সেয়া ন্যায় সঙ্গত নহয়। পেলেষ্টাইনৰ বাসিন্দা সকলক আল্লাহ তা'লা দোৱা আৰু নিজৰ আধ্যাত্মিক অৱস্থা উন্নত

কৰাৰ তৌফিক দান কৰক। ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত চলা যুদ্ধত ইউৰোপ আৰু আমেৰিকাই পোনে পোনে যোগদান কৰাৰ বাৰ্তা প্ৰচাৰ হৈ আছে, ইয়াৰ দ্বাৰা বিশ্বযুদ্ধৰ সম্ভাৱনা আৰু বাঢ়ি গৈ আছে। সেয়ে দোৱা কৰিব যাতে আল্লাহ তা'লা বিশ্বক ধ্বংসৰ কবলৰ পৰা ৰক্ষা কৰে।

সতৰ্কতা অৱলম্বন সম্পৰ্কে আগতেও মই কৈছো আৰু মোৰ আগতে হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ও এটা প্ৰতিলিপি এটমিক ক্ৰিয়াৰ পৰা ৰক্ষা পাবলৈ লিখি থৈ গৈছে। সেই প্ৰতিলিপি মতে ঔষধবিলাক তিনিবাৰকৈ লোৱা উচিত। এনেদৰে প্ৰত্যেক আহমদী ঘৰত দুই তিনি মাহৰ বাবে খাদ্য বস্তু জমা ৰখা উচিত। এই নিৰ্দেশ বিশেষকৈ যুদ্ধৰ আবৰ্ত্তত থকা ঠাই বিলাকৰ বাবে দিয়া হৈছে। যুদ্ধ সংগঠিত নহলেও তেওঁলোকৰ বাবে ইয়াত লাভালাভ আছে। ইয়ামিনৰ আহমদী সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ অতি সোনকালে তেওঁলোকৰ ৰেহাইৰ ব্যৱস্থা কৰি দিয়ে। আল্লাহ তা'লা বিশ্ব বাণীক প্ৰজ্ঞা দান কৰক যাতে সকলোৱে উন্নতিৰ নামত কদাচাৰত লিপ্ত হোৱাৰ পৰিবৰ্তে আল্লাহ তা'লাক চিনি পায়। মুছলিম ৰাষ্ট্ৰ বোৰক আল্লাহ তা'লা ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত ৰাখি ঐক্যবদ্ধ হোৱাৰ তৌফিক দান কৰক। আল্লাহ তা'লাৰ পয়গাম বিশ্বৰ সকলো মানৱলৈ পৌচাই দিয়াৰ বাবে আমাক তৌফিক দান কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) য়ে মকৰম তাহিৰ ইকবাল ছিমা চাহাব ইবনে খিজিৰ হায়াত ছিমা চাবাব (সদৰ জামাত আহমদীয়া চ'ক চৌৰাছি, ফতেহ পুৰ জিলা বাহালপুৰৰ শ্বাহাদতৰ বৰ্ণনা দিয়ে। এখেতক যোৱা কালি শ্বহীদ কৰা হৈছে। আল্লাহ তা'লা শ্বহীদ মৰহুমক উন্নত মৰ্যদা দান কৰক। ৰহমত আৰু মাগফিৰাতৰ আচৰণ প্ৰদৰ্শন কৰক। পিছত বৈ যোৱা সকলক ধৈৰ্য ধাৰণ কৰাৰ তৌফিক দান কৰক লগতে এখেতৰ নেকি জাৰি ৰখাৰ তৌফিক দান কৰক। হুজুৰ আনোৱাৰ (আইঃ)য়ে নামাজে জুমাৰ পিছত মৰহুমৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুৰ মৰ্যাদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 8 FEB 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**